

*ইনকাসকলৰ সুবিশাল নগৰ মাচ্চু পিচ্চুৰ ভগ্নাৱশেষ। ১৯১১ চনত মাৰ্কিন প্ৰত্নতাত্ত্বিক হিৰাম বিংহামে ইয়াক আৱিষ্কাৰ কৰে।*

**ইতিহাসৰ এৰা-বোটলা**

## ইনকা সাম্ৰাজ্য ধ্বংস

### *সুপ্ৰাচীন সভ্যতাৰ অৱলুপ্তি*

■ স্পেনীয় দখলদাৰী ফ্ৰান্সিস্কো পিজাৰোৰ (Francisco Pizarro, ১৪৭৮-১৫৪১) নেতৃত্বত এটা দলে চলোৱা আক্ৰমণত ১৫৩২ চনত সুপ্ৰাচীন তথা সুবিশাল ইনকা সাম্ৰাজ্য ধ্বংস হয়।

ইনকাসকল হ'ল দক্ষিণ আমেৰিকাৰ আদি বাসিন্দা। খ্ৰিষ্ট জন্মৰ বহু বছৰ আগতে ইনকাসকলে দক্ষিণ আমেৰিকাৰ পেৰুত এটা সুসমৃদ্ধ সভ্যতা গঢ়ি তুলিছিল; ইতিহাসত এই সভ্যতা ইনকা সভ্যতা নামে প্ৰখ্যাত। কিংবদন্তি আৰু ঐতিহাসিক তথ্যৰ আশ্চৰ্য সংমিশ্ৰণ ঘটিছে ইনকা ইতিহাসত। ইনকা অপৌৰুষেয়—এই কিংবদন্তিৰ ভিত্তিতেই ইনকাসকলৰ ৰাষ্ট্ৰীয়, সামাজিক আৰু অৰ্থনৈতিক জীৱন চালিত হৈছিল। ধাৰণা কৰা মতে, সৰ্বপ্ৰথম ইনকা স্বয়ং সূৰ্যৰ সন্তান আছিল। ইনকাসকলে ঠিক কেতিয়া তেওঁলোকৰ সভ্যতা আৰু সাম্ৰাজ্যৰ পাতনি মেলিছিল সেই বিষয়ে সঠিক তথ্য পোৱা নগ'লেও জনশ্ৰুতিৰ ভিত্তিত ইতিহাসবিদসকলে খ্ৰিষ্টপূৰ্ব ১২০০ত ইনকা সভ্যতাৰ সূচনা হৈছিল বুলি ঠাৱৰ কৰিছে। ইনকা সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতাজনৰ নাম আছিল মানকো কাপাক (Manco Capac)। এণ্ডিজ পৰ্বতৰ উত্তৰে-দক্ষিণে প্ৰায় ৪,০০০ বৰ্গ কিল'মিটাৰ বিস্তৃত ইনকা সাম্ৰাজ্যৰ জনসংখ্যা আছিল প্ৰায় ১.২ কোটি। ইনকাসকলে প্ৰথমতে পৰ্বতত বাস কৰিছিল। প্ৰায় ১০০০ চনত তেওঁলোক নামনিৰ কুজকো (Cuzco) উপত্যকালৈ (বৰ্তমানৰ পেৰু) নামি আহে আৰু ক্ৰমে প্ৰতিবেশী জাতি-উপজাতিসমূহক পৰাভূত কৰি সাম্ৰাজ্য বিস্তাৰ কৰে। অতি বুদ্ধিমান আৰু কৰ্মঠ ইনকাসকলৰ অৰ্থনীতিৰ ঘাই বুনিয়াদ আছিল কৃষি। আলু আছিল তেওঁলোকৰ প্ৰধান কৃষিজাত দ্ৰব্য। ইনকাসকলে প্ৰায় ২৪০ বিধ আলুৰ খেতি কৰিছিল বুলি জানিব পৰা গৈছে। কৃষিৰ বাবে তেওঁলোকে উন্নত জলসিঞ্চনৰ ব্যৱস্থা কৰিছিল। আলুৰ উপৰি ধঁপাত, কপাহ, বিলাহী, চীনাবাদাম আদিও আছিল তেওঁলোকৰ আন কৃষিজাত দ্ৰব্য। পশুপালন আছিল ইনকাসকলৰ জীৱন নিৰ্বাহৰ আন এটা অৱলম্বন। গাহৰি, হাঁহ, লামা, আলপাকা, ভিকুনিয়া (Vicunia, উট জাতীয় এবিধ প্ৰাণী) আদি তেওঁলোকে পুহিছিল আৰু পৰিবহন, খাদ্য, নোম আদিৰ বাবে এই জন্তুবোৰ ব্যৱহাৰ হৈছিল। কৃষিৰ উপৰি নানান কাৰিকৰী শিল্পতো ইনকা সভ্যতা উন্নত আছিল। এইবোৰ শিল্পৰ ভিতৰত মৃৎশিল্প আৰু বয়ন শিল্প আছিল প্ৰধান। বিভিন্ন ৰং-বিৰঙৰ উন্নত মানৰ কাপোৰ বোৱাৰ লগতে মৃৎশিল্পতো ইনকাসকলে বিশেষ পাৰদৰ্শিতাৰ পৰিচয় দিছিল। সাধাৰণ পোৱামাটিৰ বাচনৰপৰা আৰম্ভ কৰি বিভিন্ন গঢ়ৰ মৃৎপাত্ৰ আৰু মৃৎমূৰ্তি নিৰ্মাণত তেওঁলোকৰ আশ্চৰ্যকৰ দক্ষতা আছিল। সেইদৰে বাট-পথ, দলং আদি নিৰ্মাণতো ইনকাসকলে বিশেষ কুশলতাৰ পৰিচয় দিছিল। ইনকাসকলৰ সভ্যতা আৰু সাম্ৰাজ্য আছিল নগৰভিত্তিক। সুপৰিকল্পিত এই নগৰবোৰত পয় প্ৰণালী আৰু অন্যান্য জলনিৰ্গমনৰ দিশতো বিশেষ গুৰুত্ব দিয়া হৈছিল। ৰাষ্ট্ৰ পৰিচালনা বিষয়তো এই সভ্যতা আধুনিক কালৰ ৰাষ্ট্ৰ পৰিচালনাৰ নীতিৰ সমকক্ষ আছিল বুলি পণ্ডিতসকলে মত পোষণ কৰিছে। ভেষজ বিদ্যা আৰু শল্য চিকিৎসাতো ইনকাসকলে উৎকৰ্ষৰ পৰিচয় দিছিল। সাময়িকভাৱে সংজ্ঞা লোপ কৰি মগজুৰ অস্ত্ৰোপচাৰ কৰাৰ কথাও তেওঁলোকে জানিছিল। এই সভ্যতাত প্ৰযুক্তিবিদ্যাৰ যি বিকাশ হৈছিল তাৰ এটা নিদৰ্শন হ'ল ইনকাসকলৰ মান মন্দিৰ। মান মন্দিৰৰ সহায়ত ইনকাসকলে সৌৰবছৰ নিৰ্ণয় কৰাৰ পদ্ধতি জানিছিল। তেওঁলোকে ১২ মাহত এবছৰ ধৰিছিল আৰু বছৰ আৰম্ভ হৈছিল ডিচেম্বৰ মাহত। কোনো নিৰ্দিষ্ট মাহৰ বিশেষ উৎসৱ-পাৰ্বণ অনুযায়ী সেই মাহবোৰৰ নামকৰণ কৰা হৈছিল। ধৰ্মভীৰু ইনকাসকলৰ মাজত পূজা-পাতলৰ বিশেষ প্ৰচলন আছিল। ঘাইকৈ সূৰ্য আৰু প্ৰকৃতি আছিল তেওঁলোকৰ ঘাই উপাস্য দেৱতা। নানান দিশত অসাধাৰণ বিকাশ লভা সত্ত্বেও ইনকাসকলৰ মাজত কোনো মুদ্ৰা ব্যৱস্থা আৰু লিপিৰ প্ৰচলন নাছিল। লোকশ্ৰুতিয়েই আছিল তেওঁলোকৰ ভাব আৰু জ্ঞান আহৰণৰ একমাত্ৰ মাধ্যম। ইনকাসকলৰ সাম্ৰাজ্যৰ অসাধাৰণ বিস্তৃতিয়েই আছিল এই সভ্যতাৰ পতনৰ ঘাই কাৰণ।

১৫২৫ চনত ইনকাসকলৰ সম্ৰাট উয়াইয়ানা কাপাকৰ (Huavana Capak) মৃত্যু হয়। তেওঁৰ মৃত্যুৰ পাছত ইনকা সাম্ৰাজ্যৰ অন্তৰ্দ্বন্দ্ব প্ৰবল হৈ উঠে। উয়াইয়ানা কাপাকৰ দুজন পুত্ৰ উয়াছকাৰ (Huascar) আৰু আটায়ুআলপাৰ (Atahuealpa) মাজত ক্ষমতা দখলৰ বাবে আঁৰিয়াআঁৰি আৰম্ভ হয়। তেনে অৱস্থাতে ১৫৩২ চনত দখলদাৰী স্পেইনৰ ফ্ৰান্সিস্কো পিজাৰোৰ নেতৃত্বত এটা আক্ৰমণকাৰীৰ দলে ইনকা সাম্ৰাজ্য আক্ৰমণ কৰে। ইয়াৰ ফলত ইনকা সাম্ৰাজ্য ধ্বংস হয় আৰু এই সুপ্ৰাচীন সভ্যতাৰো অৱলুপ্তি ঘটে।

ইয়াৰ বহু বছৰ পাছত অষ্টাদশ শতিকাত ইনকাসকলৰ সাম্ৰাজ্য আৰু সভ্যতা সম্বন্ধে বিভিন্নজনে গৱেষণা আৰু অনুসন্ধান আৰম্ভ কৰে। ইয়াৰ ভিতৰত মাৰ্কিন অভিযাত্ৰী আৰু প্ৰত্নতাত্ত্বিক হিৰাম বিংহামৰ (Hiram Bingham, ১৮৭৫-১৯৫৬) কৃতিত্ব বিশেষভাৱে উল্লেখযোগ্য। ইনকা সাম্ৰাজ্যৰ সৰ্বশেষ ৰাজধানী উইল্কা পাম্পাৰ (Uilka Pampa) সঠিক অৱস্থানৰ অনুসন্ধানত তেওঁ অভিযান চলাইছিল। এই অনুসন্ধানত বিংহামে আকস্মিকভাৱে ১৯১১ চনত ইনকাসকলৰ সুবিশাল নগৰ মাচু পিচ্চু (Macchu Picchu) আৱিষ্কাৰ কৰে। ইয়াৰপৰা ইনকা সভ্যতাৰ বিষয়ে ভালেখিনি কথা জানিব পৰা গৈছে। মাচু পিচ্চুৰ আৱিষ্কাৰৰ পাছত ইনকা সভ্যতা আৰু সাম্ৰাজ্য সম্পৰ্কে কৰা গৱেষণাৰ প্ৰতি ইতিহাসবিদ আৰু বিজ্ঞানীসকলৰ আগ্ৰহ দুগুণে বৃদ্ধি পায়। সাম্প্ৰতিক কালতো ইনকাসকলৰ সম্পৰ্কে গৱেষণা আৰু অনুসন্ধান অব্যাহত আছে।

**ব্ৰহ্মাণ্ডৰ বিস্ময়**

## আমাৰ চুবুৰীয়া জ্যোতিষ্ক জোনবাইৰ কথা

■ চন্দ্ৰ বা জোনবাই পৃথিৱীৰ একমাত্ৰ উপগ্ৰহ। পৃথিৱীৰ আটাইতকৈ ওচৰৰ জ্যোতিষ্ক। পৃথিৱীৰপৰা চন্দ্ৰৰ দূৰত্ব ৩,৮৪,৪০০ কিল'মিটাৰ। ইয়াৰ আকাৰ পৃথিৱীৰ প্ৰায় চাৰিভাগৰ এভাগ, ইয়াৰ বয়সো পৃথিৱীৰ প্ৰায় সমান—৪৫৪ কোটি বছৰ। কিন্তু এই উপগ্ৰহ আন বহু উপগ্ৰহতকৈ সুকীয়া। সৌৰজগতত চন্দ্ৰই একমাত্ৰ উপগ্ৰহ যি আকাৰত যথেষ্ট ডাঙৰ। অন্যান্য গ্ৰহৰ উপগ্ৰহবোৰৰ আকাৰ সিহঁতৰ গ্ৰহৰ আকাৰৰ আঠ ভাগৰ এভাগতকৈও কম। কিন্তু চন্দ্ৰৰ আকাৰ পৃথিৱীৰ প্ৰায় চাৰিভাগৰ এভাগ। চন্দ্ৰৰ ব্যাস প্ৰায় ৩,৪৭৫ কিল'মিটাৰ। চন্দ্ৰৰ মাধ্যাকৰ্ষণিক